জনসংযোগ, অসম                                                                 প্ৰেছ বাৰ্তা নং- ২৩০.

# সচিবালয়ত সদ্ভাৱনা দিৱস উদ্‌যাপন

**দিছপুৰ, ১৮ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে আজি অসমতো সদ্ভাৱনা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে সচিবালয়ৰ সাধাৰণ প্ৰশাসন বিভাগৰ উদ্যোগত আয়ুক্ত সচিব এম এছ মনিৱন্ননে সচিবালয়ৰ বিষয়া-কৰ্মচাৰীসকলক জাতি, ধৰ্ম, ভাষা, অঞ্চল নিৰ্বিশেষে ভেদাভেদ নাৰাখি ঐক্য আৰু সম্প্ৰীতি ৰক্ষাৰ লগতে ভেদাভেদ হিংসাৰ আশ্ৰয় নোলোৱাকৈ আলাপ আলোচনা আৰু সাংবিধানিক উপায়েৰে সমাধানৰ শপত বাক্য পাঠ কৰোৱায়।

আজিৰ এই অনুষ্ঠানত গৃহ আৰু ৰাজনৈতিক বিভাগৰ বিশেষ সচিব প্ৰীতম শইকীয়া তথা সচিবালয়ৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। একেদৰে তথ্য আৰু জনসংযোগ সঞ্চালকালয়তো অতিৰিক্ত সঞ্চালক প্ৰদীপ কুমাৰ ব্ৰহ্মই বিষয়া-কৰ্মচাৰীসকলক সম্প্ৰীতি অটুট ৰখাৰ শপত বাক্য পাঠ কৰোৱায়।

*বি. এম./পি.ডি./ ১৮.০৮.২০২২.*